ৰাজনীতি

# সমষ্টি পুনর্নির্ধাৰণক লৈ বিৰোধীৰ বৈঠক, INDIAৰ বাহিৰৰ দলসমূহকো আমন্ত্ৰণ খাৰ্গেৰ

সমষ্টি পুনর্নির্ধাৰণ সন্দর্ভত ঐক্যবদ্ধ কৌশল নির্ধাৰণৰ বাবে ইণ্ডিয়া মিত্রজোঁটৰ লগতে আন বিৰোধী দলসমূহক বৈঠকলৈ আহ্বান জনালে মল্লিকার্জুন খাৰ্গেইে।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:১৭



নতুন দিল্লী, ২৭ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণক লৈ কেন্দ্রীয় চৰকাৰে সংসদত সংবিধান সংশোধনী বিধেয়ক পুনৰ উত্থাপন কৰাৰ সম্ভাৱনাৰ মাজতে বিৰোধী দলসমূহৰ মাজত ঐক্যবদ্ধ কৌশল প্রস্তুতৰ বাবে এক বিশেষ বৈঠক আহ্বান কৰিছে কংগ্রেছে। ৰাজ্যসভাৰ বিৰোধী দলপতি তথা কংগ্রেছ সভাপতি মল্লিকার্জুন খাৰ্গেইে শনিবাৰে অনুষ্ঠিত হ'বলগীয়া বৈঠকলৈ 'ইণ্ডিয়া' মিত্রজোঁটৰ বাহিৰৰ বিৰোধী দলসমূহকো আমন্ত্ৰণ জনাইছে।

এক সূত্রৰ পৰা জানিব পৰা মতে, শনিবাৰে পুৱা ১১.৩০ বজাত নতুন দিল্লীৰ ১০, ৰাজাজী মার্গত থকা খাৰ্গেৰ চৰকাৰী বাসগৃহত এই বৈঠক অনুষ্ঠিত হ'ব। মিত্রজোঁটৰ অন্তর্গত দলসমূহৰ সংসদীয় নেতাৰ লগতে ডিএমকে, আপ আৰু বিজু জনতা দলৰ (বিজেডি) দৰে অন্যান্য বিৰোধী দলসমূহৰ নেতাসকলকো এই বৈঠকলৈ নিমন্ত্রণ কৰা হৈছে।

কংগ্রেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে জনোৱা মতে, সংসদত গ্রহণ কৰিবলগীয়া পদক্ষেপ সন্দর্ভত আলোচনা কৰিবলৈ সকলো বিৰোধী দল বৈঠকত মিলিত হ'ব। কেৱল মিত্রজোঁটৰ মাজতে সীমাবদ্ধ নাথাকি

সকলো বিৰোধী পক্ষৰ সৈতে এই সন্দর্ভত যোগাযোগ চলাই থকা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

অহা ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ সংসদৰ বিশেষ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা আগতীয়াকৈ কাৰ্যকৰী কৰাৰ উদ্দেশ্য লৈ সমষ্টি পুনৰ্নিৰ্ধাৰণৰ সৈতে জড়িত বিধেয়কখন পুনৰ অনাৰ সম্ভাৱনা আছে। লোকসভাৰ বৈঠক ৩০ নৱেম্বৰত আৰু ৰাজ্যসভাৰ বৈঠক ২ ডিচেম্বৰত আৰম্ভ হৈ ৩ ডিচেম্বৰত দুয়োখন সদনৰে কাম-কাজ সামৰণি পৰিব।

সমষ্টি পুনৰ্নিৰ্ধাৰণ সন্দর্ভত তামিলনাড়ুৰ মুখ্যমন্ত্ৰী তথা ডিএমকে সভাপতি এম কে ষ্টেলিনে নিজৰ স্থিতি স্পষ্ট কৰি কৈছে যে লোকসভাত তামিলনাড়ুৰ বৰ্তমানৰ ৭.১৮ শতাংশ আসনৰ অংশীদাৰিত্ব কোনো কাৰণতে হ্ৰাস পাব নালাগে। ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত ৰাজ্যসমূহৰ মাজত নিৰ্ধাৰিত সংসদীয় প্ৰতিনিধিত্বৰ অনুপাত আৰু ২৫ বছৰলৈ অপৰিৱৰ্তিত ৰখাৰ দাবী জনাই ষ্টেলিনে কয় যে ৰাজ্যখনৰ স্বাৰ্থৰ ক্ষেত্ৰত কোনো আপোচ কৰা নহ'ব।

সংসদৰ এই বিশেষ বৈঠকলৈ কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰি কংগ্ৰেছে অভিযোগ তুলিছে যে চৰকাৰৰ মূল উদ্দেশ্য মহিলা সংৰক্ষণ নহয়, বৰঞ্চ সমষ্টি পুনৰ্নিৰ্ধাৰণৰ প্ৰস্তাৱ আগবঢ়োৱাহে। দলটোৱে কেন্দ্ৰৰ এই পদক্ষেপৰ বিৰোধিতা কৰিব বুলিও স্পষ্ট কৰি দিছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6983/delimitation-bill-mallikarjun-kharge-calls-opposition-meeting